www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

## আছুৰ সম্পাদক পদত চৰ্জুন হাস্সে

**ই-সংবাদ, ১৮ ছেপ্টেম্বৰঃ** গুৱাহাটী বিশ্ববিদ্যালয়স্থিত মুখ্য কাৰ্যালয়ত আজি অনুষ্ঠিত হয় আছুৰ ৬ পৃষ্ঠাত চাওক

THURSDAY, SEPTEMBER 19, 2024 ■ বৃহস্পতিবাৰ।। ২ আহিন, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৫৭ Guwahati, Assam ।। মূল্যঃ এটকা

## বশিষ্ঠত 'অকে' হ'লেই গেৰুৱা বসন পিন্ধিব শংকৰজ্যোতিয়ে

**ই-সংবাদ, ১৮ ছেপ্টেম্বৰঃ** জন্মলগ্নৰে পৰা আছুৰ সৈতে জড়িত হৈ আহিছে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ কথা। জাতিটোৰে সংকটত পৰিলেই আছুৱে জাতিটোৰ অভিভাৱক হিচাপে থিয় দি আহিছে। অসম



আন্দোলনৰ পৰাই আছুৰ নেতৃত্বতে জাতীয় সংগ্ৰাম কৰি আহিছে অসমীয়া জাতিয়ে। কিন্তু যোৱা এটা দশকৰ পৰা আছুৰ স্থিতি সন্দেহজনক বুলি বিভিন্ন পক্ষই অভিযোগ উত্থাপন কৰি আহিছে। কেন্দ্ৰীয় নেতাসকলে আছুৰ মজিয়া ত্যাগ কৰি পোনে পোনে ৰাষ্ট্ৰীয় দলত যোগদান কৰাৰ পৰম্পৰা গঢ়ি তুলিছে। যিগৰাকী আছুৰ নেতাই কালিলৈ জাতীয় অস্তিত্বৰ কথা কৈছিল সেইগৰাকী নেতাই ৰাষ্ট্ৰীয় দলত যোগদান কৰি জাতীয়তাবাদী শেষাংশ ৫ পৃষ্ঠাত

## এয়া সংবিধান বিৰোধী, দেশে এনে কথা মানি নলয়ঃ কংগ্ৰেছ

# 'এক দেশ এক নিৰ্বাচন'ত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন




নতুন দিল্লী, ১৮ ছেপ্টেম্বৰঃ **বিৰোধীৰ প্ৰবল আপত্তিকো আওকাণ কৰি এক ৰাষ্ট্ৰ এক নিৰ্বাচন নীতি কাৰ্যকৰী কৰিবলৈ তৎপৰ হৈ পৰিছে এনডিএ চৰকাৰ ! দেশত একেটা সময়তে ৰাজ্যৰ বিধানসভা আৰু লোকসভা** শেষাংশ ২ পৃষ্ঠাত

## মুখ্যমন্ত্ৰী হিমন্তক বাৰ বজাবলৈ আহি আছে ফণী শৰ্মা!

**ই-সংবাদ, ১৮ ছেপ্টেম্বৰঃ** ফণী শৰ্মা বিজেপিৰ কাৰণে এটা হৃদয় কঁপোৱা নাম। আৰএছএছৰ এইজন নেতাৰ আশীৰ্বাদ লৈ বিজেপিৰ বহু লোকে শেষাংশ ৬ পৃষ্ঠাত



## লেবাননত ফুটিল পেজাৰ, ৯ জন নিহত

### আহত ৪ সহস্ৰাধিক

**বেইৰুট, ১৮ ছেপ্টেম্বৰঃ** যোগাযোগৰ মাধ্যম পেজাৰ বিস্ফোৰকলৈ ৰূপান্তৰিত হৈ বিভীষিকা নমাইছে লেবাননত। পশ্চিম শেষাংশ ৪ পৃষ্ঠাত



## ৰাহুল গান্ধীক হত্যাৰ ভাবুকি বিজেপি নেতাৰ! দিল্লী কঁপালে কংগ্ৰেছীয়ে

### গুৱাহাটীতো প্ৰদেশ কংগ্ৰেছৰ প্ৰতিবাদ

**নতুন দিল্লী, ১৮ ছেপ্টেম্বৰঃ** আজি দেশৰ ৰাজধানী কঁপাই তোলে কংগ্ৰেছৰ ক্ষুব্ধ নেতা-কৰ্মীয়ে। কংগ্ৰেছ, যুৱ কংগ্ৰেছ, মহিলা কংগ্ৰেছৰ নেতৃত্বত কেইবা শতাধিক কংগ্ৰেছ আৰু যুৱ কংগ্ৰেছ কৰ্মীয়ে কেন্দ্ৰীয় চৰকাৰ, বিজেপিৰ নেতাৰ নাম উচ্চাৰণ কৰি দিয়া শ্ল'গানত ৰাজধানী দিল্লীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ৰাহুল শেষাংশ ৫ পৃষ্ঠাত

## ৰাজ্যত হ্ৰাস সুৰাৰ বিক্ৰী

**ই-সংবাদ, ১৮ ছেপ্টেম্বৰঃ** উপাৰ্জন কমি অহাৰ লগতে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ ফলত নাগৰিকে ৰুচি সলনি কৰিবলৈ বাধ্য হৈছে। নাগৰিকে বহু অভ্যাস এৰিবলৈ বাধ্য হৈছে। মদ্যপান নকৰিলে সন্ধিয়াটো পাৰ নোহোৱা লোকে মদ্যপান কৰিবলৈ এৰিছে। শেষাংশ ৬ পৃষ্ঠাত

৩ পৃষ্ঠাত আদালতৰ নিৰ্দেশ অবিহনে চলাব নোৱাৰিব 'বুলডজাৰ বিচাৰ'!

৮ পৃষ্ঠাত চুমিৰ বৌয়েকক সহায় কৰি চাকৰি গ'ল চৰকাৰী উকীলৰ

৯ পৃষ্ঠাত চিএম পত্নীৰ সম্পত্তি! সাক্ষাৎ কৰিব ৰাষ্ট্ৰপতিক, বিচাৰিব উচিত তদন্ত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘এক দেশ এক নিৰ্বাচন’ত

নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ আৰু এখোজ আগবাঢ়িছে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰ। এই অনুযায়ী বুধবাৰে কেন্দ্ৰীয় কেবিনেট বৈঠকত 'এক ৰাষ্ট্ৰ এক নিৰ্বাচন' নীতি ৰূপায়ণৰ বাবে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দৰ নেতৃত্বত গঠিত সমিতিৰ পৰামৰ্শত অনুমোদন জনোৱা হৈছে। ইয়াৰ পিছতে সংসদৰ আগন্তুক অধিৱেশনত এই নীতি কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে বিধেয়কখন উত্থাপন কৰাৰ সম্ভাৱনা আছে। প্ৰণিধানযোগ্য যে, ‘এক ৰাষ্ট্ৰ এক নিৰ্বাচন’ ৰূপায়ণৰ বাবে যোৱা বছৰৰ ১ ছেপ্টেম্বৰত মোদী চৰকাৰে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দৰ নেতৃত্বত এখন কমিটী গঠন কৰিছিল। ইফালে বিগত লোকসভা নিৰ্বাচনৰ পূৰ্বে অৰ্থাৎ যোৱা ১৪ মাৰ্চত কোৱিন্দ সমিতিয়ে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক একে সময়তে লোকসভা আৰু সকলো ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ পৰামৰ্শ আগবঢ়াই আঠটা ভাগত বিভক্ত ১৮ হাজাৰ পৃষ্ঠাৰ এক প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদন দাখিলৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি সমিতিৰ আন সদস্যসকলো উপস্থিত থাকে। ইফালে ৰাষ্ট্ৰপতিক দাখিল কৰা প্ৰতিবেদনৰ পিছত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কেবিনেটৰ সিদ্ধান্তৰ কথা ঘোষণা কৰি কয় যে কোৱিন্দ সমিতিৰ প্ৰতিবেদনত অনুমোদনৰ সিদ্ধান্ত বিভিন্ন মঞ্চত আলোচনাৰ অন্তত লোৱা হৈছে। অন্যহাতে আৰম্ভণিৰে পৰাই এক ৰাষ্ট্ৰ এক নিৰ্বাচন নীতিৰ বিৰোধিতা কৰি আহিছে কংগ্ৰেছ, তৃণমূল কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহে। মোদী চৰকাৰে ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাত আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচন শৈলীৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিব বিচৰা বুলি অভিযোগ কৰে বিৰোধীয়ে। বিৰোধী নেতৃত্বই এই নীতি ফেডাৰেল গাঁথনি আৰু সংসদীয় গণতান্ত্ৰিক চিন্তাধাৰাৰ বিৰোধী বুলিও অভিযোগ কৰে। বিশেষকৈ 'এক ৰাষ্ট্ৰ এক নিৰ্বাচন' নীতি ৰূপায়ণ হ'লে লোকসভা নিৰ্বাচনৰ লহৰত বিধানসভা নিৰ্বাচন অস্তিত্বহীন হৈ পৰিব বুলি আশংকা ব্যক্ত কৰে বিজেপি বিৰোধী দলসমূহে। এই নীতি ৰূপায়িত হ'লে বিভিন্ন ৰাজ্যৰ আঞ্চলিক দলসমূহো নিশ্চিহ্ন হৈ পৰাৰ আশংকা কৰা হৈছে। তদুপৰি পঞ্চায়ত-পৌৰসভাৰ নিৰ্বাচনসমূহো 'এক ৰাষ্ট্ৰ এক নিৰ্বাচন' নীতিৰ অধীনত অনুষ্ঠিত হ'লে ৰাজ্যৰ নিৰ্বাচন আয়োগসমূহ কাৰ্যতঃ শক্তিহীন হৈ পৰিব বুলিও আশংকা ব্যক্ত কৰিছে কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলসমূহে। প্ৰসংগক্ৰমে শেহতীয়াকৈ জম্মু-কাশ্মীৰৰ ৩৭০ অনুচ্ছেদ বাতিল সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ গোচৰত মোদী চৰকাৰে কয় যে উপত্যকা পঞ্চায়তৰ পৰা বিধানসভা নিৰ্বাচন পৰ্যায়ক্ৰমে অনুষ্ঠিত কৰা হওক। তাৰোপৰি কেন্দ্ৰত বা কোনো ৰাজ্যত নিৰ্বাচিত চৰকাৰখন ‘এক নিৰ্বাচন’ ব্যৱস্থা প্ৰৱৰ্তনৰ পাঁচ বছৰৰ পূৰ্বেই পতন ঘটিলে কি হ’ব, সেই সন্দৰ্ভতো প্ৰশ্ন উত্থাপন হৈছে। কিন্তু লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ সকলো ৰাজ্যতে বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে মোদী চৰকাৰৰ যুক্তি হ’ল ইয়াৰ দ্বাৰা নিৰ্বাচনৰ খৰচ হ্ৰাস পাব। যিহেতু এখন ভোটাৰ তালিকাত দুটাকৈ নিৰ্বাচন অনুষ্ঠিত হ’ব, সেহেয়ে চৰকাৰী কৰ্মচাৰীৰ কামৰ বোজাও কমিব বুলি দাবী কৰে বিজেপিয়ে। তদুপৰি বাৰে বাৰে অনুষ্ঠিত হোৱা নিৰ্বাচনৰ সময়ত জাৰি হোৱা নিৰ্বাচনী আচৰণ বিধিৰ পৰিপ্ৰেক্ষিতত চৰকাৰী উন্নয়নমূলক কাম-কাজ স্থগিত হৈ পৰে বুলি দাবী কৰি বিজেপিয়ে যুক্তি দিয়ে যে একে সময়তে সকলো নিৰ্বাচন অনুষ্ঠিত হ’লে দেশৰ উন্নয়নৰ কাম ক্ষিপ্ৰতাৰে আগবঢ়াই নিব পৰা যাব। কেন্দ্ৰৰ যুক্তি যে নীতি আয়োগ, আইন আয়োগ, নিৰ্বাচন আয়োগেও এই ধাৰণাক নীতিগত সমৰ্থন আগবঢ়াইছে। ইফালে এক ৰাষ্ট্ৰ এক নিৰ্বাচন নীতিৰ বিৰোধিতা কৰি এয়া এক অবাস্তৱিক বিষয় বুলি মন্তব্য কৰে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে। নিৰ্বাচনৰ পূৰ্বে সমকালীন নিৰ্বাচনৰ প্ৰস্তাৱৰ অনুমোদনক নিৰ্বাচনৰ ছলনা বুলি অভিহিত কৰি তেওঁ কয় "নিৰ্বাচন আহিলে বিজেপিয়ে এই সকলোবোৰ কথা কয়। দেশৰ জনসাধাৰণে কোনো পধ্যেই এক ৰাষ্ট্ৰ এক নিৰ্বাচন মানি নলয়।” এই নীতি দেশৰ সংবিধান, গণতন্ত্ৰবিৰুদ্ধ বুলি দাবী কৰি খাৰ্গেয়ে লগতে কয়, "আমি আমাৰ গণতন্ত্ৰক জীয়াই ৰাখিব বিচাৰিলে সময়মতে নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব।” আনহাতে এআইএমআইএমৰ নেতা আছাদুদ্দিন ওৱেছিয়ে একেলগে নিৰ্বাচন অনুষ্ঠিত কৰাটো কেৱল প্ৰধানমন্ত্ৰী মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰয়োজনীয়তা বুলি অভিহিত কৰে। তেওঁ কয়, "সময়মতে নিৰ্বাচন অনুষ্ঠিত কৰিলে গণতান্ত্ৰিক জবাবদিহিতা বৃদ্ধি পায়।” আপ নেতা সন্দীপ পাঠকে এক ৰাষ্ট্ৰ এক নিৰ্বাচন বিজেপিৰ আন এক 'জুমলা' আখ্যা দি কয় যে হাৰিয়ানা আৰু জম্মু-কাশ্মীৰত একেলগে নিৰ্বাচন অনুষ্ঠিত কৰিব নোৱাৰা মোদী চৰকাৰে কিদৰে সমগ্ৰ দেশত একেলগে নিৰ্বাচন অনুষ্ঠিত কৰিব? তেওঁ কয়, "এয়া বিজেপিৰ আন এক জুমলা আৰু ফ্লপ হোৱাৰ ভাগ্য। মহাৰাষ্ট্ৰ, ঝাৰখণ্ড, জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাত একেলগে নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নাছিল। তিনি কৃষি আইনৰ দৰেই এক ৰাষ্ট্ৰ এক নিৰ্বাচনো আলোচনা নকৰাকৈ অনা হৈছে। আমি তেওঁলোকক মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ সৈতে দিল্লী নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ আহ্বান জনাইছো। প্ৰথমে নিজকে প্ৰমাণ কৰক।” চৰকাৰৰ কাৰ্যকালৰ মাজভাগত যদি কোনো ৰাজ্যত চৰকাৰৰ পতন ঘটে, তেন্তে বিজেপিয়ে নিজৰ গুণ্ডাগিৰিৰ জৰিয়তে ৰাজ্যখন চলাব নেকি বুলিও আপ নেতাগৰাকীয়ে প্ৰশ্ন কৰে। এনেদৰে এতিয়া বিৰোধীৰ আপত্তিক নেওচি এয়া কেনেকৈ কাৰ্যকৰী কৰে সেয়াও লক্ষণীয় হ’ব।

# মৰিগাঁৱৰ হাবিবৰঙাবাৰীত গাহৰি পালন কৰা যুৱকৰ পৰিয়ালক কৰিলে এঘৰীয়া

**ই-সংবাদ, মৰিগাওঁ, ১৮ ছেপ্টেম্বৰঃ** অসমৰ অৰ্থনৈতিক বুনিয়াদ থলগিৰি লোকৰ হাতলৈ ওভতাই অনাৰ অৰ্থে যুৱ প্ৰজন্মক কৰ্মমুখী তথা স্বাৱলম্বী হ'বলৈ বিভিন্ন পক্ষই দিহা-পৰামৰ্শ দি অহাৰ সময়তে মৰিগাওঁ জিলাৰ হাবিবৰঙাবাৰীত এজন উচ্চ শিক্ষিত যুৱকৰ পৰিয়ালক গাহৰি পালন কৰাৰ বাবেই এঘৰীয়া কৰাৰ ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, জিলাখনৰ হাবিবৰঙাবাৰী অঞ্চলৰ বড়িগাৱৰ নিবাসী দীপাংকৰ নাথ নামৰ যুৱক জনৰ মিলিকনাধীন ইটা নিৰ্মাণৰ আধুনিক কাৰিকৰী সম্পন্ন ক্ষুদ্ৰ উদ্যোগটিত কালি উলহ-মালহেৰে বিশ্বকৰ্মা পূজা উদযাপনৰ প্ৰস্তুতি চলাইছিল। ইয়াৰ অৰ্থে স্থানীয় ভকত-বৈষ্ণৱৰ লগতে এটি নামতী দলকো নিমন্ত্ৰণ কৰিছিল যুৱকজনে।কিন্তু আচৰ্যজনকভাৱে কালী পূজাৰ দিনটোত পূজাস্থলীত উক্ত ভকত-বৈষ্ণৱ অথবা নামতী দলৰ কোনো লোক উপস্থিত ন'হল। মূলত: উক্ত যুৱক জনে এখন গাহৰিৰ ফাৰ্মো চলাই থকাৰ বাবেই এনে সংকটৰ সন্মুখীন হয় বুলি জানিব পৰা গৈছে। যুৱকজনৰ পৰিয়ালে জনোৱা মতে,পূজাৰ আগনিশা স্থানীয় মায়েঙীয়া খেলৰ নামঘৰত অনুষ্ঠিত ভাদ মহীয়া নাম-প্ৰসংগত যুৱকজনৰ পৰিয়ালৰ লোক সকলো উপস্থিত আছিল। তেতিয়া কিন্তু কোনো লোকে যুৱক জনৰ পৰিয়ালক কোনো কথা অৱগত কৰোৱা নাছিল। পৰৱৰ্তী দিনাহে কোনো লোকে যুৱকজনে গাহৰি পালন কৰা বাবে তেওঁলোকৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত কোনো ভকত-বৈষ্ণৱ তথা নামতী দল উপস্থিত নাথাকিব বুলি অৱগত কৰে। ৰাইজৰ এনে সিদ্ধান্তই অৱধাৰিতভাৱেই উক্ত পৰিয়ালটোক হতাশ কৰি তুলা দেখা গৈছে। উল্লেখ্য যে,কেইবাবছৰ পূৰ্বে দীপাংকৰ নাথ নামৰ এই যুৱকজনে বাংগালুৰুত কম্পিউটাৰ এপ্লিকেচনত স্নাতক ডিগ্ৰী লাভ কৰে। স্বাভাৱিকতে যুৱকজনৰ সন্মুখত আছিল তথ্য-প্ৰযুক্তিৰ দৰে ক্ষেত্ৰত সুপ্ৰতিষ্ঠিত হোৱাৰ অলেখ সুযোগ। কিন্তু জাতীয়তাবাদী ভাৱাসম্পন্ন যুৱকজনে কেইবছৰমান পাছতেই এনে সম্ভাৱনাপূৰ্ণ বিলাসী জীৱন এৰি থৈ "যি কৰো নিজৰ গাঁৱতে কৰিম" ভাৱেৰে নিজ গাৱঁলৈ ওভতি আহে। নিজ গাঁৱলৈ আহি প্ৰথমে এখন লেয়াৰ ফাৰ্মৰ পৰা অৰ্থনৈতিক যাত্ৰা আৰম্ভ কৰি দোপতদোপে উন্নতি কৰি মীন পালন, গাহৰি পালন আদি ক্ষেত্ৰলৈ ব্যৱসায় সম্প্ৰসাৰণ কৰাৰ লগতে শেহতীয়াকৈ আধুনিক প্ৰযুক্তিৰে ইটা নিৰ্মাণৰ ক্ষুদ্ৰ উদ্যোগটি স্থাপন অন্য কেইবাজনো নিবনুৱা যুৱকৰ সংস্থাপনৰ বাট মুকলি কৰি দিয়ে। এনে এজন যুৱকক প্ৰাচীন এলান্ধুকলীয়া নীতি প্ৰয়োগেৰে এনেদৰে সমাজে এঘৰীয়া কৰা কাৰ্যই চৌদিশে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।




যোৱা ৩৫ বছৰৰ পাছত জম্মু কাশ্মীৰত এইবাৰেই সৰ্বাধিক ভোটদান

## গুৱাহাটীৰ গোপীনাথ নগৰত বিধ্বংসী অগ্নিকাণ্ড

**ই-সংবাদ, ১৮ ছেপ্টেম্বৰঃ** আজি গুৱাহাটী মহানগৰীৰ আৰ্যনগৰৰ গোপীনাথ নগৰত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হৈ কেইবাটাও পৰিয়ালৰ সা-সম্পত্তি ভস্মীভূত হয়। প্ৰায় ১২ বজাত দিলীপ শইকীয়া নামৰ লোকজনৰ ঘৰ এটাৰ পৰা ধোঁৱা ওলাবলৈ ধৰাত হুৰা-দুৰা লাগে। কিছু সময় পাছতে জুইৰ লেলিহান শিখাই কেইবাটাও পৰিয়ালৰ ঘৰত সাঙুৰি লোৱাত চিলিণ্ডাৰ বিস্ফোৰণ হয়। অগ্নিকাণ্ডই ভয়ংকৰ ৰূপ লয়। অগ্নিকাণ্ডই কেবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ ঘেৰি লয়। প্ৰায় ৮টা পৰিয়ালৰ সা-সম্পত্তি, এটা মছজিদৰ সামগ্ৰীও জুইত জাহ যায়।

## তড়িৎ বিচাৰত বাধা! উচ্চতম ন্যায়ালয়ৰ কঠোৰ নিষেধাজ্ঞা

# আদালতৰ নিৰ্দেশ অবিহনে চলাব নোৱাৰিব ‘বুলডজাৰ বিচাৰ’!

**নতুন দিল্লী, ১৮ ছেপ্টেম্বৰঃ** উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ ত্বৰিৎ বিচাৰত বাধা দি এক গুৰুত্বপূৰ্ণ নিৰ্দেশ জাৰি কৰিছে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে। যোগী ৰাজ্যৰ পৰা আৰম্ভ হোৱা 'বুলডোজাৰ' বিচাৰৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰি এতিয়াৰে পৰা কোনো ৰাজ্যতে বুলডোজাৰ চলাই কোনো বাসগৃহ ভাঙি পেলাব নোৱাৰিব বুলি নিৰ্দেশ প্ৰদান কৰিছে উচ্চতম ন্যায়ালয়ে। এক গোচৰৰ শুনানিৰ সময়ত ১ অক্টোবৰত পৰৱৰ্তী শুনানি পৰ্যন্ত এই নিৰ্দেশ বলবৎ থাকিব বুলি মন্তব্য কৰে উচ্চতম ন্যায়ালয়ে। বুধবাৰে উচ্চতম ন্যালায়ৰ ন্যায়াধীশ বি আৰ গভাই আৰু ন্যায়াধীশ কে বি বিশ্বনাথনৰ বিচাৰপীঠে সকীয়াই দিয়ে যে যদি কোনো কাঠামো অবৈধভাৱে বুলডোজাৰেৰে ভাঙি পেলোৱা হয়, তেন্তে এই কাৰ্য্যক অসাংবিধানিক বুলি গণ্য কৰা হ’ব। অৱশ্যে অবৈধভাৱে নিৰ্মাণ কৰা ঘৰ বা অন্য গৃহৰ ক্ষেত্ৰত এই নিৰ্দেশ প্ৰযোজ্য নহ’ব বুলি স্পষ্ট কৰি দিয়ে উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠে। বিশেষকৈ ৰাস্তা-ঘাট, ৰে’লপথ, পদপথ বেদখল কৰি নিৰ্মাণ কৰা যিকোনো কাঠামোৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশ বাধাৰ সৃষ্টি নহ’ব বুলি স্পষ্ট কৰি দিয়া হৈছে। প্ৰণিধানযোগ্য যে, ধৰ্ষণকাৰী, হত্যাকাৰীৰ বিৰুদ্ধে তাৎক্ষণিক ন্যায় হিচাপে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে প্ৰৱৰ্তন কৰিছিল 'বুলডোজাৰ' বিচাৰ। ধৰ্ষণ-হত্যা আদি গোচৰৰ অভিযুক্তৰ ঘৰ বুলডোজাৰেৰে ভাঙি পেলাই জনতাৰ পৰা বাহ বাহ লোৱা যোগী আদিত্যনাথক অনুসৰণ কৰি অসম, মধ্যপ্ৰদেশ আদিৰ দৰে বিজেপিশাসিত ৰাজ্যইও এই 'ত্বৰিৎ বিচাৰ' আৰম্ভ কৰিছিল। অসমত বটদ্ৰৱা কাণ্ডৰ পিছত অভিযুক্তৰ ঘৰ বুলডোজাৰেৰে ভাঙি পেলাইছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসম আৰক্ষীয়ে। অৱশ্যে পিছত এই গোচৰ উচ্চ ন্যায়ালয়ৰ মজিয়া পোৱাত মুখথেকেচা খাই ভুক্তভোগীক আৰ্থিক ক্ষতিপূৰণ প্ৰদান কৰিবলৈ বাধ্য হৈছিল হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। বুলডোজাৰ বিচাৰৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত দাখিল কৰা একাধিক আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে এই নীতিক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। শুনানিৰ সময়ত আদালতে কয় যে কোনো লোক অভিযুক্ত বা দোষী হ’লেও তেওঁৰ ঘৰ ভাঙি পেলোৱাৰ অধিকাৰ নাই। এই দেশত এনে কোনো আইন নাই। ঘৰ ভাঙিবলৈ নিৰ্দিষ্ট নিয়ম থাকিব লাগে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লেবাননত ফুটিল পেজাৰ

এছিয়াৰ দেশ লেবাননৰ লগতে ছিৰিয়াৰ বিভিন্ন প্ৰান্তত সংঘটিত হাজাৰোধিক পেজাৰ বিস্ফোৰণত এতিয়ালৈকে কমেও ৯ জন লোকৰ মৃত্যু ঘটাৰ লগতে চাৰি সহস্ৰাধিক লোক আহত হোৱাৰ খবৰ পোৱা গৈছে। দেশখনত পৰিস্থিতি ইমানেই ভয়ংকৰ হৈ পৰিছে যে আহতসকলৰ চিকিৎসাৰ বাবে হাস্পতালত ঠাইৰ অভাৱ ঘটিছে। লেবাননত শাসন কৰা সশস্ত্ৰ সংগঠন হিজবুল্লাহে এই আক্ৰমণৰ বাবে ইজৰাইলক জগৰীয়া কৰিছে। চৰকাৰী সূত্ৰ অনুসৰি এই আক্ৰমণত হিজবুল্লাহৰ কেইবাজনো সদস্যও নিহত হয়। আনহাতে ইৰাণৰ এজন ৰাষ্ট্ৰদূতো এই আক্ৰমণত আহত হৈছে। এই আক্ৰমণৰ পিছতে ইজৰাইলৰ বিৰুদ্ধে প্ৰত্যাক্ৰমণৰ সকিয়নী প্ৰদান কৰে হিজবুল্লাহে। উল্লেখ্য যে, পেজাৰ হৈছে এক যোগাযোগ যন্ত্ৰ। মোবাইলৰ বিকল্প হিচাপে ব্যৱহাৰ কৰা পেজাৰৰ জৰিয়তে ভয়চ মেছেজ বা মেছেজ প্ৰেৰণ কৰিব পাৰি। লক্ষণীয় যে, নব্বৈৰ দশকৰ অতি জনপ্ৰিয় এই পেজাৰ ট্ৰেচ কৰিব নোৱাৰি বাবে বহু উগ্ৰপন্থী সংগঠনে যোগাযোগৰ বাবে পেজাৰ ব্যৱহাৰ কৰে। আমেৰিকান বাতৰি কাকত দ্য' নিউয়ৰ্ক টাইমছে প্ৰকাশ কৰা এক বাতৰি অনুসৰি লেবাননত বিস্ফোৰিত হোৱা পেজাৰসমূহ টাইৱানৰ পৰা আমদানি কৰা হৈছিল। টাইৱানৰ গ'ল্ড এপ'ল' নামৰ এটা প্ৰতিষ্ঠানে পেজাৰসমূহ লেবাননলৈ প্ৰেৰণ কৰাৰ পূৰ্বে ইজৰাইলী এজেণ্টে পেজাৰসমূহৰ ভিতৰত সন্দেহ কৰিব নোৱাৰা ধৰণে আৰু দূৰৈৰ পৰাই সক্ৰিয় কৰিব পৰা বিস্ফোৰক সংস্থাপিত কৰা বুলি অভিযোগ উত্থাপন হৈছে। বাতৰি অনুসৰি, গ'ল্ড এপ'ল'ই প্ৰায় ৩ হাজাৰ পেজাৰ লেবাননলৈ প্ৰেৰণ কৰিছিল আৰু ইয়াৰে বেছিভাগেই আছিল এ আৰ-৯২৪ মডেলৰ। ইফালে লেবাননৰ এই পেজাৰ বিস্ফোৰণৰ কেইবাটাও ভিডিঅ' সামাজিক মাধ্যমত বিয়পি পৰিছে। লেবাননৰ ৰাজধানী আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলত সংঘটিত বিস্ফোৰণৰ ফলত শ শ লোক ৰাজপথৰ ওপৰতে উফৰি পৰিছে। মন কৰিবলগীয়া যে শেহতীয়াকৈ ইজৰাইলৰ আক্ৰমণত হামাছৰ নেতা ইছমাইল হানিয়েহ আৰু হিজবুল্লাহৰ শীৰ্ষ অধিনায়ক নামে নাছেৰৰ মৃত্যুৰ ফলত পশ্চিম এছিয়াৰ পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰিছে। তেতিয়াৰ পৰাই ইজৰাইল আৰু হিজবুল্লাহৰ মাজত ক্ষুদ্ৰ সংঘাত চলি আহিছে। কেতিয়াবা ৰকেট আক্ৰমণ, কেতিয়াবা ড্ৰোন আক্ৰমণে উত্তপ্ত কৰি ৰাখিছে দুয়োখন ৰাষ্ট্ৰক। তাৰ সমান্তৰালভাৱে ইৰাণেও ইজৰাইলক আক্ৰমণৰ বাবে বিভিন্ন পৰিকল্পনা কৰিছে। এনে সময়তে লেবাননত সংঘটিত ঘটনাই পৰিস্থিতি অধিক ভয়াৱহ কৰি তুলিছে।

# বিটিআৰৰ ট্ৰাইবেল বেল্ট-ব্লকতো উচ্ছেদ চলাবলৈ দাবী ট্ৰাইবেল সংঘৰ

## বিটিআৰ কো-অৰ্ডিনেচন, ট্ৰাইবেল সংঘৰ সংবাদমেল

**ই-সংবাদ, কোকৰাঝাৰ, ১৮ ছেপ্টেম্বৰঃ** কোকৰাঝাৰত বড়ো সাহিত্য সভাৰ কাৰ্যালয়ত বিটিআৰ কো-অৰ্ডিনেচন, ট্ৰাইবেল সংঘই আজি এক সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেলত বিটিআৰ কো-অৰ্ডিনেচন, ট্ৰাইবেল সংঘৰ সভাপতি নিৰঞ্জন ব্ৰহ্ম, সাধাৰণ সম্পাদক গজেন নাৰ্জাৰী, এবছুৰ সহ সম্পাদক দীনেশ ব্ৰহ্মৰ লগতে অংশীদাৰী ১২ টা সংগঠনৰ নেতৃবৰ্গ উপস্থিত থাকে। সংবাদমেলত বিটিআৰ কো-অৰ্ডিনেচন, ট্ৰাইবেল সংঘৰ সভাপতি নিৰঞ্জন ব্ৰহ্ম, সাধাৰণ সম্পাদক গজেন নাৰ্জাৰীয়ে সোণাপুৰৰ ট্ৰাইবেল বেল্ট আৰু ব্লকত সন্দেহযুক্ত নাগৰিকক উচ্ছেদ কৰাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। বিটিআৰ কো-অৰ্ডিনেচন, ট্ৰাইবেল সংঘই কয় যে ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহ অবৈধ সন্দেহযুক্ত নাগৰিকৰ ৰম্যভূমি হৈ পৰিছে।




জনজাতিসকলৰ ভূমি , আৰ্থ সামাজিক , ৰাজনৈতিক আদি সকলো হস্তগত কৰি অবৈধ সন্দেহযুক্ত নাগৰিকে জনজাতিসকলৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে বুলি মন্তব্য কৰি দক্ষিণ কামৰূপ সোণাপুৰ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ এলেকাৰ সোণাপুৰত মুখ্যমন্ত্ৰীয়ে সাহসিকতাৰে যি উচ্ছেদ চলালে সেয়া প্ৰশংসনীয় বুলি মন্তব্য কৰে বিটিআৰ কো-অৰ্ডিনেচন, ট্ৰাইবেল সংঘই।বৰ্তমান অসমত ৮৯ টা আৰু বিটিআৰত ১৯ টা ট্ৰাইবেল বেল্ট আৰু ব্লক আছে বুলি মন্তব্য কৰি বিটিআৰ কো-অৰ্ডিনেচন, ট্ৰাইবেল সংঘই সোণাপুৰৰ দৰে বিটিআৰৰ ট্ৰাইবেল বেল্ট আৰু ব্লকতো অতি সোনকালে উচ্ছেদৰ ব্যৱস্থা কৰিব লাগে বুলি দাবী জনাইছে। তদুপৰি বনভূমি আইন ২০০৬ অনুসৰি বিটিআৰ এলেকাত অতি সোনকালে ভূমি আৱণ্টন দিয়াৰ ব্যৱস্থা কৰা , জনজাতিৰ ভূমি দানসূত্ৰে বা চিঠা নামজাৰীৰে জনজাতিৰ পৰা অজনজাতিলৈ হস্তান্তৰ সম্পূৰ্ণ অবৈধ আৰু তেনে নামজাৰি বাতিল কৰা আৰু জনজাতিসকলে বসৱাস কৰি থকা ভূমি চৰ্ত অবিহনে নামজাৰি কৰাৰ দাবী উত্থাপন কৰিছে বিটিআৰ কো-অৰ্ডিনেচন, ট্ৰাইবেল সংঘই। তদুপৰি ট্ৰাইবেল ভূমিত বেদখলকাৰীসকলক উচ্ছেদ কৰা কাৰ্যৰ বিৰোধিতা কৰা একাংশ দল-সংগঠনৰ কাৰ্যক গৰিহণা দিছে বিটিআৰ কো-অৰ্ডিনেচন, ট্ৰাইবেল সংঘই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বশিষ্ঠত 'অকে' হ'লেই গেৰুৱা

ধাৰাটোক নস্যাৎ কৰে। 'কা' আন্দোলনৰ সময়ৰ কথাকে উদাহৰণ হিচাপে ল'ব পাৰি। সেই সময়ৰ আছুৰ নেতৃত্বই কেন্দ্ৰীয় চৰকাৰে আইনত পৰিণত কৰা নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে প্ৰতিবাদ কৰি আইনখন বাতিল নোহোৱা পৰ্যন্ত প্ৰতিবাদ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। প্ৰতিবাদথলীত ডিঙিৰ শিৰ ফুলাই ভাষণ দিছিল আছুৰ নেতাসকলে। কিন্তু মূৰকত সেইসমূহ নেতাই বিজেপিত যোগদান কৰি 'কা'ৰ সমৰ্থন কৰিলে। আছু নেতাৰ এনে চৰিত্ৰৰ বাবে আজিকালি আছুক মানুহে সন্দেহৰ চকুৰে চাবলৈ ধৰিছে। আছু এতিয়া ৰাষ্ট্ৰীয় দলৰ বাবে নেতা গঢ়াৰ কমাৰশাল হৈ পৰিছে বুলিও ৰাজনৈতিক মহলে ক'বলৈ আৰম্ভ কৰা দেখা গৈছে। ইয়াৰ মাজতে আছুৰ সদ্যপদত্যাগী সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ খবৰেও খুব চৰ্চা লাভ কৰিছে। আছুৰ মঞ্চত থাকিয়েই শংকৰজ্যোতি বৰুৱাই ৰাজনৈতিক কেৰিয়াৰ গঢ়িবলৈ কাম কৰি গৈছিল। শাসকীয় পক্ষৰ লোকৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰি চলিছিল। বিজেপি দলৰ কেবাগৰাকী নেতাৰ সৈতে অতি ঘনিষ্ঠ আছিল। কিন্তু একেইগৰাকী শংকৰজ্যোতি বৰুৱাই আছুৰ মজিয়াৰ পৰা এৰা-ধৰা নীতিৰে বিজেপি চৰকাৰৰ বছা বছা কিছু কিছু ভুল-ত্ৰুটি উলিয়াই সমালোচনা কৰি গৈছিল। সদৌ অসম ছাত্ৰ সন্থাৰ মজিয়াত থাকিয়েই ভৱিষ্যত ৰাজনীতিৰ বাবে চিন্তা কৰি আগবাঢ়িছিল সদ্য আছুত্যাগী শংকৰজ্যোতি বৰুৱাই। ছাত্ৰনেতাজনৰ ঘনিষ্ঠ মহলৰ এক সূত্ৰৰ পৰা জানিব পৰা মতে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ পদত কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়তে বিজেপিৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক বৰ্তাই ৰাখিছিল শংকৰজ্যোতি বৰুৱাই। আছুৰ মজিয়াত জাতীয় অস্তিত্বৰ কথা কৈ থকাৰ সমানে ৰাষ্ট্ৰীয় দলৰ সৈতে ওতঃপ্ৰোতভাৱে সম্পৰ্ক ৰক্ষা কৰি চলিছিল ছাত্ৰনেতাজনে। এটা বিশ্বস্ত সূত্ৰই দাবী কৰা মতে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে নাটকীয়ভাৱে আছু ত্যাগ কৰি বিজেপিত যোগদান কৰিবলৈ পৰিকল্পনা কৰি আছিল। সূত্ৰটোৰে দাবী কৰা মতে, শংকৰজ্যোতি বৰুৱাৰ পৰিকল্পনা মতে সকলো হৈ নুঠিল। প্ৰাক্তন আছু নেতা বৰুৱাই অসমৰ বিজেপিৰ কেইবাগৰাকী নেতাৰ সংস্পৰ্শত আছিল। আনকি আগষ্ট মাহত দিল্লীলৈ গৈ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে.পি নাড্ডাক সাক্ষাৎ কৰিছিল। আছুৰ কেইজনমান নেতাক লগত লৈ দিল্লী ভ্ৰমণ কৰি জে.পি নাড্ডাক সাক্ষাৎ কৰাত ৰাজ্যত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। পৰৱৰ্তী সময়ত শংকৰজ্যোতি বৰুৱাই স্পষ্টীকৰণ দিবলৈ বাধ্য হৈছিল। নামৰূপ সাৰকাৰখানাৰ চতুৰ্থ গোট স্থাপন, তৃতীয় গোটক জীয়াই ৰাখিবলৈ সাহায্য প্ৰদান আৰু নামৰূপ সাৰকাৰখানাত সংঘটিত হোৱা ৮০৪ টা ৰাসায়নিক সাৰৰ ডিলাৰ আৱন্তনৰ কেলেংকাৰীৰ উচ্চ পৰ্যায়ৰ তদন্তৰ সন্দৰ্ভত জগত প্ৰকাশ নাড্ডাক সাক্ষাৎ কৰা বুলি কৈছিল বৰুৱাই। কিন্তু ছাত্ৰ নেতাজনৰ তেনে স্পষ্টীকৰণৰ আঁৰত বহু কথা লুকাই আছে বুলিও সূত্ৰটোৱে ক'ব খোজে। শেহতীয়াকৈ প্ৰেমকেন্দ্ৰিক ব্যক্তিগত কথাক লৈ বিতৰ্কৰ আৱৰ্তত সোমাই পৰি সম্প্ৰতি আছুকে ত্যাগ কৰিবলগীয়া হ'ল বৰুৱাই। একেটা সূত্ৰই দাবী কৰা মতে, বিতৰ্কৰ আৱৰ্তত সোমাই আছুৰ পৰা পদত্যাগ কৰি কিছুদিন ৰাজহুৱা জীৱনৰ পৰা নিষ্ক্ৰিয় হৈ থাকি সুযোগ বুজি বিজেপিত যোগ দিয়াৰ পৰিকল্পনাত ব্যস্ত হৈ পৰিছে ছাত্ৰ নেতাজন। লক্ষণীয় যে আজি আছুৰ প্ৰাথমিক সদস্যপদো ত্যাগ কৰে শংকৰজ্যোতি বৰুৱাই। এনে পৰিপ্ৰেক্ষিতত বশিষ্ঠস্থিত বিজেপিৰ ৰাজ্যিক কাৰ্যালয় বাজপেয়ী ভৱনৰ পৰা সেউজ সংকেত পালেই আৰু বিতৰ্কক লৈ চলি থকা চৰ্চা শাম কাটিলেই গেৰুৱা বসন পিন্ধিবলৈ একপ্ৰকাৰ সাজু হৈ আছে শংকৰজ্যোতি বৰুৱা।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাহুল গান্ধীক হত্যাৰ ভাবুকি

গান্ধীৰ বিৰুদ্ধে বিৰূপ মন্তব্য প্ৰদান কৰি হত্যাৰ ভাবুকি দিয়া বিজেপি আৰু শিৱসেনাৰ সিন্দে গোটৰ নেতাক গ্ৰেপ্তাৰৰ দাবীত কংগ্ৰেছৰ নেতা-কৰ্মীয়ে উত্তাল প্ৰতিবাদ জনায়। দেশত বিজেপি নেতাৰ গুণ্ডাগিৰী নচলিব, ৰাহুল গান্ধীক ভাবুকি দিয়া নেতাক গ্ৰেপ্তাৰ কৰক আদি শ্ল'গান দি উত্তাল পৰিবেশৰ সৃষ্টি কৰে। প্ৰায় এক ঘণ্টা সময় কংগ্ৰেছকৰ্মীসকলে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতে কেইবাজনো কংগ্ৰেছ নেতাক আটক কৰে দিল্লী আৰক্ষীয়ে। দিল্লী কংগ্ৰেছৰ মুৰব্বী দেৱেন্দ্ৰ যাদৱৰ উপস্থিতিত সাব্যস্ত কৰা প্ৰতিবাদস্থলীত আৰক্ষী আৰু প্ৰতিবাদ কৰ্মীৰ মাজ টনা-আঁজোৰা লাগে। প্ৰতিবাদৰত কংগ্ৰেছ নেতাসকলক আৰক্ষীৰ বাহন ভৰাই স্থানীয় আৰক্ষী থানাত আটক কৰে। কংগ্ৰেছৰ নেতাই কয় যে আমি ৰাহুল গান্ধীৰ পথ অনুসৰণ কৰি সংবিধানৰ সুৰক্ষাৰ বাবে যুঁজ দিছো। আমি বিজেপিক ভয় নকৰো। দীৰ্ঘ সময়ৰ মূৰকত দিল্লী আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। প্ৰতিবাদী প্ৰদৰ্শনৰ নেতৃত্ব দিয়া দিল্লী কংগ্ৰেছৰ সভাপতি দেৱেন্দ্ৰ যাদৱে কয় ৰাহুল গান্ধী আৰু ৰাহুল গান্ধীয়ে থিয় দিয়া মূল্যবোধৰ ওপৰত পোনপটীয়া আক্ৰমণ। ৰাহুল গান্ধীয়ে দেখুওৱা পথ অনুসৰণ কৰি সংবিধানৰ সুৰক্ষাৰ বাবে আমি যুঁজ দি আছো। আমি বিজেপিৰ অভ্যন্তৰীণ কৌশলক ভয় নকৰো। প্ৰতিজন কংগ্ৰেছ কৰ্মীয়ে ৰাহুল গান্ধীৰ অটল সমৰ্থনত থিয় দিছে। বিজেপি আৰু শিৱসেনাৰ সিন্দে গোটৰ কেবাজনো নেতাই লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীক হত্যাৰ ভাবুকি প্ৰদান কৰাত আজি সৰ্বভাৰতীয় কংগ্ৰেছৰ কোষাধ্যক্ষ অজয় মাকনে দিল্লীৰ টোঘলক আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিলৰ পাছতে দিল্লীত কংগ্ৰেছে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ৰাহুল গান্ধীক লক্ষ্য কৰি কেন্দ্ৰীয় মন্ত্ৰী ৰৱনীত সিং বিট্টু, বিজেপি নেতা তৰবিন্দৰ সিং মাৰৱাহ, ৰঘুৰাজ সিং, শিৱসেনাৰ বিধায়ক সঞ্জয় গায়কৱাড়, অনিল বগুৱে মন্তব্য প্ৰদান কৰিছিল। সেয়াও হত্যাৰ ভাবুকি। তাৰ পাছতে আজি কংগ্ৰেছৰ নেতা-কৰ্মীসকল আজি ঘৰৰ পৰা ৰাজপথলৈ ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰে। এনডিএৰ নেতাসকলে কৰা অসহিষ্ণু মন্তব্যৰ বিৰুদ্ধে কংগ্ৰেছ কৰ্মীসকলে দেশজুৰি প্ৰতিবাদ সাব্যস্ত কৰে। লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীক সন্ত্ৰাসবাদী বুলি অভিহিত কৰি আইতাকৰ দৰেই অৱস্থা কৰাৰ ভাবুকি প্ৰদান কৰিছে। এনডিএৰ নেতাসকলৰ এনে মন্তব্য কৰাত সৰৱ হয় কংগ্ৰেছৰ নেতা-কৰ্মী। অসমতো বিভিন্ন জিলাত প্ৰদেশ কংগ্ৰেছ, মহিলা-যুৱ কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজ্যৰ ৰাজধানী গুৱাহাটীত কেইবা শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে বিজেপিৰ বিৰুদ্ধে শ্ল'গান দি পৰিস্থিতি উত্তপ্ত কৰি তোলে। ক্ষোভিত প্ৰতিবাদী কংগ্ৰেছীসকলে বিজেপি হায়ঃ হায়ঃ, বিজেপিৰ গুণ্ডাগিৰী নচলিব, ৰাহুল গান্ধীক সুৰক্ষা দিয়ক আদি শ্ল'গান দিয়া পৰিলক্ষিত হয়। লাষ্টগেটৰ বিধায়ক আৱাসৰ সমীপৰ মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত অসম প্ৰদেশ মহিলা কংগ্ৰেছ, গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ উদ্যোগত প্ৰতিবাদ সাব্যস্ত কৰে কংগ্ৰেছ নেতা-কৰ্মীয়ে। প্ৰাক্তন সাংসদ আব্দুল খালেক, প্ৰদেশ কংগ্ৰেছ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, প্ৰদেশ মহিলা কংগ্ৰেছৰ সভাপতি মীৰা বৰঠাকুৰ গোস্বামী, গুৱাহাটী কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মাৰ উপস্থিতিত প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰে কেন্দ্ৰীয় মন্ত্ৰী ৰৱনীত সিং বিট্টু, বিজেপি নেতা তৰবিন্দৰ সিং মাৰৱাহ, ৰঘুৰাজ সিং, শিৱসেনাৰ বিধায়ক সঞ্জয় গায়কৱাড়, অনিল বগুক গ্ৰেপ্তাৰৰ দাবী জনায়। বিহাৰৰ ৰাজধানী পাটনাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ড০ অখিলেশ প্ৰসাদ সিঙৰ নেতৃত্বত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা হয়। ৰাহুল গান্ধীক লৈ অশোভনীয় মন্তব্য কৰাসকলক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাই বিহাৰ কংগ্ৰেছে। অন্ধ্ৰ প্ৰদেশৰ বিজয়ৱাড়াতো কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰে। অন্ধ্ৰপ্ৰদেশ কংগ্ৰেছৰ সভাপতি ৱাই এছ শৰ্মিলাৰ নেতৃত্বত বিজেপিৰ বিৰুদ্ধে প্ৰদৰ্শন কৰি শীঘ্ৰে বিজেপি নেতাসকলক গ্ৰেপ্তাৰৰ দাবী জনায়। ৰাহুল গান্ধীক প্ৰাণে মৰাৰ ভাবুকি দিয়া বিজেপি নেতা তৰবিন্দৰ সিং মাৰৱাক গ্ৰেপ্তাৰৰ দাবীত আজি দৰং জিলা কংগ্ৰেছেও প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপি নেতাসকলে ৰাহুল গান্ধীয়ে বিদেশত শিখসকলৰ বিৰুদ্ধে কৰা মন্তব্য কৰাৰ অভিযোগ আনে। ৰাহুল গান্ধীয়ে বিচ্ছিন্নতাবাদীৰ দৰে কথা কোৱাৰ অভিযোগ আনি দেশৰ এক নম্বৰ সন্ত্ৰাসবাদী আখ্যা দিয়ে বিজেপি নেতাসকলে। বিজেপি নেতা তৰবিন্দৰ সিং মাৰৱাহে এটা ভিডিঅ'ত ৰাহুল গান্ধীক ইন্দিৰা গান্ধীৰ দৰে পৰিণামৰ ভাবুকি দিয়ে। মহাৰাষ্ট্ৰৰ বিজেপিৰ সহযোগী শিৱসেনা সিন্দে গোটৰ বিধায়ক সঞ্জয় গায়কৱাডে ৰাহুল গান্ধীৰ জিভা কাটি পেলালে ১১ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। এনেদৰে ৰাহুল গান্ধীক লৈ বিজেপি নেতাই কৰা অশোভনীয় মন্তব্যৰ বিৰুদ্ধে আজি দেশৰ ভিন্নপ্ৰান্তত কংগ্ৰেছৰ নেতা-কৰ্মীসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যত হ্ৰাস সুৰাৰ বিক্ৰী

চৰকাৰে দাম কমাই দিয়াৰ পাছতো মদৰ প্ৰতি আসক্তি হ্ৰাস কৰিবলৈ বাধ্য হৈছে৷ পূৰ্বে পূজা, বিহু আদিৰ সময়ত মদৰ বিক্ৰীয়ে অভিলেখ সৃষ্টি কৰিছিল৷ সংবাদমাধ্যমে বাতৰি কৰিবলগীয়া হৈছিল৷ কিন্তু আজি সেই দিন নাই৷ মানুহে মদ কিনি খাব নোৱাৰা পৰিস্থিতিৰ সৃষ্টি হৈছে৷ ১৭ ছেপ্টেম্বৰত গ'ল বিশ্ব কৰ্মা পূজা৷ কিন্তু বিশ্ব কৰ্মা পূজাত পূৰ্বৰ দৰে মদৰ বিক্ৰী নাই৷ বিশ্ব কৰ্মা পূজাত মাথো ৫ কোটি ৭ লাখ টকাৰ মদ বিক্ৰী হৈছে৷ দেখাত ৫ কোটি যদিও পূৰ্বৰ তুলনাত বিক্ৰী যথেষ্ট কম৷ যোৱা যোৱাবাৰ বিশ্বকৰ্মা পূজাত ৬ কোটি ২০ লাখ টকাৰ মদ বিক্ৰী হৈছিল সমগ্ৰ অসমত৷ এইবাৰ বিক্ৰী বৃদ্ধি হ'ব লাগিছিল যদিও হ্ৰাসহে হৈছে৷ ইয়াৰ কেবাটাও কাৰক হ'ব পাৰে৷ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে মানুহক জুৰুলা কৰিছে৷ সমানে উপাৰ্জন কৰি অহাত মানুহৰ হাতত টকা নথকাত ইচ্ছা কৰিলেও মানুহে মদৰ ধন ব্যয় কৰিব নোৱাৰা হৈছে৷ কিয়নো ঔষধ, সন্তানৰ পঢ়াৰ খৰছ, পৰিবহন যাত্ৰাৰ খৰছ আদি বৃদ্ধি পোৱাত মানুহে চিন্তাত দিন কটাবলগীয়া হৈছে৷ উল্লেখ্য যে কিছুদিন পূৰ্বে চৰকাৰে মদৰ দাম বৃদ্ধি কৰিছিল যদিও বিক্ৰী হ্ৰাস পাবলৈ লোৱাত আবকাৰী বিভাগে ৱাইন শ্বপসমূহক বিক্ৰী বৃদ্ধি কৰিবলৈ টাৰ্গেট বান্ধি দিয়া বুলিও বাতৰি প্ৰকাশ পাইছিল। সুৰাৰ দাম বৃদ্ধিক লৈ মুকলিকৈ কোনো প্ৰতিবাদ আদি নহ'লেও বিক্ৰী হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজহৰ কথালৈ চাই দিনদিয়েক পূৰ্বে চৰকাৰে পুনৰ দাম হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছিল। কিন্তু ইমানৰ পিছতো এইবাৰ বিশ্বকৰ্মা পূজাত সুৰাৰ বিক্ৰী বৃদ্ধি নোহোৱাত চৰকাৰ তথা আবকাৰী বিভাগ চিন্তিত হৈ পৰাৰ বিপৰীতে কিছু পৰিমাণে হ'লেও স্বস্তিৰ নিশ্বাস এৰিছে ৰাজ্যখনৰ সচেতন মহলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আছুৰ সম্পাদক পদত চৰ্জুন

কাৰ্যনিৰ্বাহক সভা৷ এই কাৰ্যনিৰ্বাহত আছুৰ কেন্দ্ৰীয় সমিতিৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক নিৰ্বাচিত কৰা হয়৷ সহকাৰী সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা কাৰ্বি আংলং জিলাৰ ছৰ্জুন হান্সেক ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ দায়িত্ব প্ৰদান কৰা হয়৷ ধেমাজিৰ দীপক শৰ্মা, তিনিচুকীয়াৰ ৰাণা সোণাৰ, গোৱালপাৰাৰ অভিজিত নাথ আৰু তেজপুৰৰ নিতুল বৰাৰো নাম চৰ্চাত আছিল যদিও শেষ মুহূৰ্তত ছৰ্জুন হান্সেক ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ দায়িত্ব প্ৰদান কৰে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকে৷ ছৰ্জুন হান্সেই সাধাৰণ সম্পাদকৰ দায়িত্ব পোৱাৰ পাছতে দীৰ্ঘ সময়ৰ মূৰকত জনজাতীয় নেতাই আছুৰ শীৰ্ষ পদৱী লাভ কৰিলে বুলি চৰ্চা চলা দেখা গৈছে। ইফালে, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ পদ লাভৰ পাছতে ছৰ্জুন হান্সেয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সামাজিক মাধ্যমত এটা পাষ্ট দিছে৷ পোষ্টটোত হান্সেয়ে কয় "পোন প্ৰথমে সদৌ অসম ছাত্ৰ সন্থাৰ দৰে মহান জাতীয় সংগঠনৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ দৰে এক গুৰু দায়িত্ব মোৰ ওপৰত অৰ্পন কৰাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ ওচৰত মই কৃতজ্ঞ। পাহাৰ-ভৈয়ামক একাকাৰ কৰি অসমীয়া জাতি তথা অসমৰ ছাত্ৰ সমাজৰ সৈতে অহৰ্নিশে কাম কৰি যোৱা এই পৱিত্ৰ সংগঠনটোৰ সত্বাটো আৰু ৰক্তিম পতাকাখনক সৰোগত কৰি মই আগন্তুক সময়ত এই দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰি যাম। এইক্ষেত্ৰত অসমৰ ৰাইজৰ সহায়-সহযোগিতা তথা দিহা পৰামৰ্শ মোৰ একান্তই কাম্য।" উল্লেখ্য যে এগৰাকী যুৱতীয়ে প্ৰতাৰণাৰ অভিযোগ উত্থাপন কৰাৰ পিছতে বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছিল আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা। পৰৱৰ্তী সময়ত শংকৰজ্যোতিয়ে যুৱতীগৰাকীক প্ৰাক্তন প্ৰেয়সী বুলি উল্লেখ কৰি কেবাটাও অভিযোগ স্বীকাৰ কৰি আদালতৰ মজিয়াত সকলো কথা ক'ব বুলি কৈছিল। এনেদৰে বিতৰ্কৰ আৱৰ্তত সোমাই পৰাৰ অন্তত দিনদিয়েক পূৰ্বে সাধাৰণ সম্পাদকৰ পৰা পদত্যাগ কৰিছিল শংকৰজ্যোতিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰী হিমন্তক বাৰ বজাবলৈ

ৰাজনৈতিক সপোন বাস্তৱায়িত কৰি আহিছে। বহুত মন্ত্ৰী হ'ল, কেবাজনো সাংসদ হ'ল। ফণী শৰ্মা কিন্তু ত্যাগৰ প্ৰতীক হৈয়েই ৰ'ল। আৰএছএছৰ এইজন নেতা সৰ্বানন্দ সোণোৱালৰ অতি ঘনিষ্ঠ ব্যক্তি আছিল। সোণোৱালক মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত কৰাৰ ক্ষেত্ৰত তেখেতৰ ভূমিকা আছিল অপৰিসীম। অসমত সাংগঠনিক কাম-কাজৰ দীৰ্ঘদিনৰ অভিজ্ঞতা থকা এইজন ফণী শৰ্মাক শেহতীয়াকৈ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সাংগঠনিক দায়িত্বৰ পৰা অব্যাহত লৈ হাৰিয়ানালৈ প্ৰেৰণ কৰিছিল। কিন্তু শেহতীয়াকৈ বিজেপিৰ এক সূত্ৰই যোগান ধৰা খবৰমতেই অহা নৱেম্বৰ মাহত পুনৰ অসমলৈ প্ৰত্যাৱৰ্তন কৰিব ফণী শৰ্মাই। উল্লেখ্য যে দহ বছৰ হাৰিয়ানাত বিজেপিয়ে একেৰাহে শাসন কৰাৰ পিছত ৰাজ্যনৰ বিজেপিৰ শীৰ্ষ নেতা তথা মন্ত্ৰীসকল একপ্ৰকাৰ কেন্দ্ৰীয় নেতৃত্বৰ নিয়ন্ত্ৰণৰ বাহিৰ হৈ পৰিছিল। ইয়াৰ পিছতে তেনে নেতা-মন্ত্ৰীসকলক নিয়ন্ত্ৰণ কৰিবলৈ আৰএছএছে বিশেষ পৰিকল্পনা অনুযায়ী হাৰিয়ানালৈ প্ৰেৰণ কৰিছিল ফণী শৰ্মাক। হাৰিয়ানাত নিজৰ কাম আৰম্ভ কৰিয়েই এজনৰ পিছত আনজন বিজেপি নেতাৰ পাখি কাটিবলৈ লৈছিল ফণী শৰ্মাই। শৰ্মাৰ গোপন ৰণনীতিৰ ফলস্বৰূপে ৰাজ্যখনত বিজেপি দলটোক নিজৰ ইচ্ছামতে চলাই থকা নেতাসকলে সমাগত বিধানসভা নিৰ্বাচনত ব্যাপক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। পৰিস্থিতি এনে হৈ পৰিছে যে এইবাৰ ৰাজ্যখনত পুনৰ কংগ্ৰেছ দল শাসনলৈ আহিব বুলি একাধিক নিৰ্বাচনী সমীক্ষাত প্ৰকাশ পাইছে। হাৰিয়ানাৰ অনুৰূপ ধৰণে অসমত হিমন্ত বাহিনীক নিয়ন্ত্ৰণ কৰিবলৈকে আৰএছএছৰ শীৰ্ষমহলে ফণী শৰ্মাক অসমলৈ আকৌ প্ৰেৰণ কৰিবলৈ সিদ্ধান্ত প্ৰায় চূড়ান্ত কৰিছে। ২০২৬ৰ বিধানসভা নিৰ্বাচনলৈ দিন চমু চাপি অহাৰ সময়তে আৰএছএছৰ এইগৰাকী শক্তিশালী নেতাৰ পুনৰ অসম আগমনৰ বাতৰিয়ে এতিয়া ভিতৰি শংকিত কৰি তুলিছে অসম বিজেপিত উঠিৰজা-বহিৰজা হৈ থকা বহু বাঘা বাঘা নেতাক।

বিজেপিৰ পৰা ৰক্ষা কৰাৰ পণ

# ২১ ছেপ্টেম্বৰত দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব আতিশীয়ে



**নতুন দিল্লী, ১৮ ছেপ্টেম্বৰঃ** দিল্লীৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হ'ব আন এগৰাকী মহিলা। সুষমা স্বৰাম আৰু শীলা দিক্ষীতৰ পিছত তৃতীয়গৰাকী মহিলা মুখ্যমন্ত্ৰী হিচাপে অহা ২১ ছেপ্টেম্বৰত দিল্লীৰ চৰকাৰ চম্ভালিবলৈ সাজু হৈছে আপ নেত্ৰী আতিশী। এক দীঘলীয়া ৰাজনৈতিক পৰিক্ৰমাৰ মাজেৰে যাত্ৰা কৰি অহা আতিশীক অৰবিন্দ কেজৰিৱালৰ পদত্যাগৰ পিছত মুখ্যমন্ত্ৰী পদৰ দাবীদাৰ হিচাপে ঘোষণা কৰা হৈছিল। উল্লেখ্য যে, দিল্লীৰ সুৰা নীতি কেলেংকাৰী গোচৰত দীৰ্ঘসময় কাৰাবন্দী হৈ থকাৰ পিছত শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপৰত মুকলি আকাশৰ তললৈ ওলাই আহিবলৈ সক্ষম হৈছে। কিন্তু কাৰাগাৰৰ পৰা মুকলি হৈ অহাৰ পিছতে দিল্লীৰ মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰাৰ ঘোষণা কৰে কেজৰিৱালে। আৰু ইয়াৰ পিছতে ১৭ ছেপ্টেম্বৰত তেওঁ লেফটেনেন্ট গৱৰ্ণৰ বিনয় ছাক্সেনাক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ পত্ৰ দাখিল কৰে। এই সময়ত তেওঁৰ সৈতে আতিশীৰ লগতে আপ চৰকাৰৰ আন চাৰিগৰাকী মন্ত্ৰীও উপস্থিত থাকে। একে সময়তে নতুন মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণৰ বাবে তাৰিখ নিৰ্ধাৰণ কৰিবলৈ আপে আহ্বান জনায়। দিল্লী চৰকাৰে ২৬ আৰু ২৭ ছেপ্টেম্বৰত ২ দিনীয়া বিধানসভা অধিৱেশন আহ্বান কৰিছে। আনহাতে মুখ্যমন্ত্ৰী পদৰ বাবে নিৰ্বাচিত হোৱাৰ পিছতে আতিশীয়ে কয়, 'পৰৱৰ্তী নিৰ্বাচনলৈ মোৰ হাতত মাত্ৰ দুটা কাম আছে। প্ৰথম- দিল্লীবাসীক বিজেপিৰ ষড়যন্ত্ৰৰ পৰা ৰক্ষা কৰা। দ্বিতীয়- কেজৰিৱালক পুনৰ মুখ্যমন্ত্ৰী কৰি তোলা।' প্ৰণিধানযোগ্য যে, আপৰ এগৰাকী বিশ্বাসযোগ্য নেত্ৰী হিচাপে সুপৰিচিত আতিশীয়ে কেজৰিৱাল আৰু ছিছ'দিয়া জেলত থকাৰ সময়ত দল আৰু চৰকাৰৰ দায়িত্ব অতি সুন্দৰভাৱে পালন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল।

# অগপৰ বঙাইগাঁও, ছিদলী ইউপিপিএলৰ, বিহালী, ধলাই, চামগুৰি বিজেপিৰ

## মুখ্যমন্ত্ৰীৰ উপস্থিতিত বঙাইগাঁৱত এনডিএৰ বৈঠক

**ই-সংবাদ, বঙাইগাঁওঃ** বিটিআৰ নিৰ্বাচনত বিজেপি আৰু ইউপিপিএলে মিত্ৰতা নকৰে বুলি সদম্ভে ঘোষণা কৰিছিল মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। কিন্তু বিধানসভা, লোকসভা আৰু ৰাজ্যসভাৰ ক্ষেত্ৰত বিজেপি-ইউপিপিএলৰ মিত্ৰতা ভংগ নহয়। আজি এই কথা স্পষ্ট। আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নামনি অসম ভ্ৰমণ কৰি নামনিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ছিডলী সমষ্টিত এক প্ৰকাৰ নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰি ছিডলী সমষ্টি ইউপিপিএলক এৰি দিয়াৰ ঘোষণা কৰে। বৈঠকত অগপৰ নেতৃত্বও উপস্থিত থাকে। ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে ছিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰদান নকৰে। বিজেপি মিত্ৰজোঁটৰ সহযোগী ইউপিপিএলে ছিদলীত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব। অক্টোবৰ-নৱেম্বৰ মাহত উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ছিদলী বিধানসভা সমষ্টি ইউপিপিএল দলে প্ৰাৰ্থী প্ৰদান কৰিব আৰু জয়ী হ'ব। আনহাতে, বঙাইগাঁও সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচন সন্দৰ্ভতো মন্তব্য কৰে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় 'বঙাইগাঁৱত আমি অসম গণ পৰিষদ দিম। ২০২১ চনত আসন ভাগ বতৰা কৰাৰ দৰেই উপ-নিৰ্বাচনত বিহালী, ধলাই আৰু চামগুৰিত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।' আনহাতে, বিটিআৰৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপি, অগপ আৰু ইউপিপিএলৰ সুন্দৰ সম্পৰ্কই বিটিআৰত সৰ্বাংগীণ উন্নয়নৰ মূল চালিকা শক্তি। বিকাশৰ বাঙ্কোনেৰে আমি এখন সৰ্বাংগসুন্দৰ বিটিআৰ নিৰ্মাণৰ সংকল্প গ্ৰহণ কৰিছো। আজি বঙাইগাঁও শোধনাগাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত যৌথ কাৰ্যকৰ্তা সন্মিলনে ছিডলী সমষ্টিৰ উপ-নিৰ্বাচন, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আঁচনিৰ বিষয়ে আলোচনা কৰা হয়। ইপিনে হিমন্ত বিশ্ব শৰ্মাই বঙাইগাঁও ভ্ৰমণৰ সময়ত বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ৰ নৱনিৰ্মিত গৃহৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। প্ৰশাসনৰ সৈতে এখন বৈঠকত মিলিত হৈ নিৰ্মাণকাৰ্যৰ সৈতে জড়িত সংশ্লিষ্ট বিভাগ তথা নিৰ্মাণকাৰী সংস্থাক নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম সম্পূৰ্ণ কৰাৰ লগতে গুণগত মানসম্পন্ন কাম কৰাৰ বাবে নিৰ্দেশনা দিয়ে।



ৰাহুল গান্ধীক বিজেপি নেতাই হত্যাৰ ভাবুকি দিয়া কাৰ্যৰ বিৰুদ্ধে প্ৰদেশ কংগ্ৰেছৰ প্ৰতিবাদ

# মধ্য অসমত চতুৰ্থ বৰ্গৰ নিযুক্তিৰ পৰীক্ষা কেন্দ্ৰ স্থাপনৰ দাবী

**ই-সংবাদ, মৰিগাওঁ, ১৮ ছেপ্টেম্বৰঃ** অসম চৰকাৰৰ বিভিন্ন বিভাগৰ চতুৰ্থ বৰ্গৰ নিযুক্তিৰ বাবে আগন্তুক মাহত অনুষ্ঠিত হ'বলগীয়া পৰীক্ষাৰ এটা মৰিগাঁও অথবা নগাওঁ জিলাত স্থাপন কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনাইছে মধ্য অসম কোচ-ৰাজবংশী ছাত্ৰ সন্থাই। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ এটা সজাঁতি দলে এই সম্পৰ্কত আজি মৰিগাঁৱৰ জিলা আয়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। মধ্য অসম আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি পৰেশ চন্দ্ৰ ডেকা আৰু সাধাৰণ সম্পাদক ৰাতুল ৰাজবংশীৰ দ্বাৰা স্বাক্ষৰিত এই স্মাৰক পত্ৰৰ জৰিয়তে উল্লেখ কৰে যে শেহতীয়াকৈ অনুষ্ঠিত হৈ যোৱা তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষাত মধ্য অসমৰ হাজাৰ হাজাৰ মেধাৱী পৰীক্ষাৰ্থী বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে। বিশেষকৈ মৰিগাঁও, নগাঁও আৰু হোজাই জিলাৰ বহু পৰীক্ষাৰ্থী যাতায়তৰ অসুবিধাৰ বাবে নিৰ্ধাৰিত সময়ত পৰীক্ষা কেন্দ্ৰত গৈ উপস্থিত হব নোৱাৰা, যাত্ৰীবাহী বাহনৰ বাবে ঘণ্টাৰ পিছত ঘণ্টা বোন্দাপৰ দি ৰৈ থকা, অত্যাধিক যান-জঁটৰ ভয়াৱহ সমস্যাৰ সন্মুখীন হোৱা আদি ঘটনাৰ বাবে পৰীক্ষাৰ্থী সকল মানসিকভাৱে ভাগি পৰা পৰিলক্ষিত হৈছিল।

## মহাধিৱক্তাক মাতি নি মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশ

# চুমিৰ বৌয়েকক জামিন, চাকৰি গ'ল চৰকাৰী অধিবক্তাৰ

**ই-সংবাদ, ১৮ ছেপ্টেম্বৰঃ** অনলাইন ট্ৰেডিং কাণ্ডৰ নায়িকা চুমি বৰাৰ বৌৱেক জিংকি মিলিক জামিন লাভত সহায় কৰিছিল চৰকাৰী অধিবক্তাই। এই অভিযোগ উত্থাপনৰ পাছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিষয়টোক লৈ হস্তক্ষেপ কৰে আৰু অধিবক্তাৰ বিৰুদ্ধে একচন ল'বলৈ বাধ্য হয়। অনলাইন ট্ৰেডিং কাণ্ডৰ সৈতে জড়িত থকাৰ অভিযুক্ত চুমি বৰাৰ পৰিয়ালকো তদন্তৰ আওতাত লোৱা হৈছিল। চুমি বৰাৰ বৌৱেক জিংকি মিলিকো অভিযুক্ত কৰিছিল অসম আৰক্ষীয়ে। কিন্তু অধিবক্তাৰ সহায় কৰাৰ ফলত চুমি বৰাৰ বৌৱেক জিংকি মিলিয়ে অন্তৰৱৰ্তীকালীন জামিন লাভ কৰে। চুমিৰ বৌৱেক জিংকি মিলিক অন্তৰ্বৰ্তীকালীন জামিন দিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মালেশ্বৰী নন্দীৰ আদালতে। ২৫ হাজাৰ টকা বণ্ডৰ বিনিময়ত আদালতে জামিন মঞ্জুৰ কৰিছিল। তাৰ পাছতে চৰকাৰী অধিবক্তাৰ অৱহেলাৰ বাবে আদালতে জামিন দিয়াৰ অভিযোগ উঠিছে। অধিবক্তাই নিৰ্লিপ্ত ভূমিকা পালন কৰাত জিংকি মিলিয়ে জামিন লাভ কৰা তথ্য পোহৰলৈ অহাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আদালতত চৰকাৰী পক্ষৰ অধিবক্তা বিদ্যুৎ বিকাশ গগৈক ইতিমধ্যে পদৰ পৰা অব্যাহতি দিয়া হৈছে। অধিবক্তা গগৈৰ লগতে, চৰকাৰী অধিবক্তা কাৰ্যালয়ৰ সহায়ক ব্ৰজেন কুমাৰ দাস, অৰূপ কুমাৰ ডেকাকে ধৰি তিনিজনক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে। জানিব পৰা মতে, মোকৰ্দমাকাৰী মাখন ফুকনৰ পৰা লুকুৱাই ৰাখিছিল জামিনৰ গোচৰৰ নথি-পত্ৰ। যাৰ ফলত মাখন ফুকন আদালতত উপস্থিত থাকিব পৰা নাছিল আৰু চৰ্তসাপেক্ষে অন্তৰ্বৰ্তীকালীন অগ্ৰিম জামিন লাভ কৰিছিল জিংকিয়ে। জিংকি মিলি বিৰুদ্ধে ৩৫২/২০২৪ত গোচৰ ৰুজু হৈছিল। জেৰাৰ বাবে তলব কৰিছিল পলাতক হৈ আছিল মিলি। অন্তৰ্বৰ্তীকালীন জামিন লাভত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত তদন্ত কৰি অধিবক্তা বিদ্যুৎ বিকাশ গগৈক পদৰ পৰা অব্যাহতি দিয়ে মহাধিবক্তাই। জিংকিৰ স্বামী তথা চুমিৰ ভাতৃ ৰাজীৱ বৰাই বৰ্তমানেও পলাতক হৈ আছে।



কেন্দ্ৰীয় পৰ্যটন বিভাগে শিল্পকলা শ্ৰেণীৰ শ্ৰেষ্ঠ পৰ্যটন গাঁওসমূহৰ ভিতৰত অন্যতম হিচাপে শুৱালকুছিক নিৰ্বাচিত

# নাবালিকা ধৰ্ষণকাৰীক পক'চ আদালতৰ দহ বছৰৰ সশ্ৰম কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ১৮ ছেপ্টেম্বৰঃ** মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত মাছখোৱা গাঁৱৰ জয়ন্ত মুদৈ নামৰ এজন নাবালিকা ধৰ্ষণকাৰীক মৰিগাঁও পক'চ আদালতে আজি দহ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰিও বিশ হাজাৰ টকাৰ জৰিমনা বিহিছে। প্ৰাপ্ত তথ্য মতে এই লোক জনে আঠ বছৰ পূৰ্বে এগৰাকী নাবালিকাক নিৰ্মম ভাবে ধৰ্ষণ কৰিছিল। এই ঘটনা সন্দৰ্ভত মিকিৰভেটা আৰক্ষী থানাত ১৬৩/২০১৬ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই ঘটনাটোৰ তদন্ত কৰি মিকিৰভেটা আৰক্ষীয়ে মৰিগাঁও পক'চ আদালতত অভিযোগনামা দাখিল কৰিছিল। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে পক'চ গোচৰ নং- ৪২/২০১৭ ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'চ আদালতৰ বিশেষ ন্যায়াধীশ এন এ আহমেদে ভাৰতীয় দণ্ডবিধিৰ ৩৭৬(২)(i) ধাৰাত দোষী সাব্যস্ত কৰি অপৰাধী জয়ন্ত মুদৈক দহ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰিও বিশ হাজাৰ টকাৰ জৰিমনা বিহে। ধাৰ্য কৰা জৰিমনাৰ ধন অনাদায়ে অতিৰিক্ত ছয় মাহৰ কাৰাদণ্ডৰ আদেশ জাৰি কৰিছে।

# জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ শান্তিপূৰ্ণ

**শ্ৰীনগৰ, ১৮ ছেপ্টেম্বৰঃ** সম্পূৰ্ণ এটা দশকৰ পিছত আজি জম্মু-কাশ্মীৰত অনুষ্ঠিত হৈছে বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি, আজি অনুষ্ঠিত হোৱা প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত সন্ধিয়া ৫ বজালৈকে জম্মু-কাশ্মীৰত ৫৯.১৯ শতাংশ ভোটাৰে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। লক্ষণীয় যে, আজিৰ দিনটোত সৰ্বাধিক ভোটদান সম্পন্ন হয় কিস্তৱাৰত। জিলাখনত ৭৭.২৩ শতাংশ ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰাৰ বিপৰীতে সৰ্বনিম্ন ৩৬.৯০ শতাংশ ভোটদান হয় সন্ত্ৰাসবাদীৰ অভিকেন্দ্ৰস্বৰূপ পুলৱামাত। মন কৰিবলগীয়া যে, আজি ২৪খন বিধানসভা আসনৰ বাবে ৯০ জন নিৰ্দলীয় প্ৰাৰ্থীকে ধৰি ২১৯ জন প্ৰাৰ্থীৰ ভাগ্য ই ভি এমত বন্দী কৰে ২৩ লক্ষাধিক ভোটাৰে। পীৰ পাঞ্জল পৰ্বতমালাৰ দুয়োকাষে থকা সাতখন জিলাত এই ভোটগ্ৰহণ অনুষ্ঠিত হয়। বিশেষ কথাটো হ'ল এই পৰ্যায়ত জম্মু অঞ্চলৰ ৮টা বিধানসভা সমষ্টি আৰু কাশ্মীৰ উপত্যকাৰ ১৬টা বিধানসভা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হয়। ভোটগ্ৰহণৰ বাবে সমগ্ৰ অঞ্চলটোত ৩,২৭৬টা ভোটকেন্দ্ৰ স্থাপন কৰি প্ৰায় ১৪,০০০ ভোটগ্ৰহণ কৰ্মচাৰী নিয়োগ কৰা হয়। প্ৰণিধানযোগ্য যে, বিগত এটা দশকৰ পিছত জম্মু-কাশ্মীৰত এইবাৰ অনুষ্ঠিত হৈছে বিধানসভা নিৰ্বাচন। এই নিৰ্বাচনত কংগ্ৰেছে নেশ্যনেল কংগ্ৰেছৰ সৈতে মিত্ৰতাৰে অৱতীৰ্ণ হোৱাৰ বিপৰীতে ৰণাংগনত অকলেই নামিছে বিজেপি আৰু পিডিপি। জম্মু-কাশ্মীৰত এইবাৰ কেইবাটাও স্থানীয় বিষয় ৰাজনৈতিক স্থিতি গ্ৰহণ কৰাৰ আশা কৰা হৈছে। বিশেষকৈ জম্মু-কাশ্মীৰৰ পৰা ৩৭০ প্ৰত্যাহাৰৰ সিদ্ধান্ত, সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনা, নিবনুৱা সমস্যা আদি বিষয়ে নিৰ্বাচনৰ ফলাফলত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মন্তব্য কৰিছে বিশ্লেষকসকলে। বিশেষকৈ যোৱা বিধানসভা নিৰ্বাচনৰ পিছত দশকজোৰা ব্যৱধানৰ পিছত জম্মু-কাশ্মীৰৰ ৰাজনৈতিক ভৱিষ্যত গঢ় দিয়াৰ বাবে এই নিৰ্বাচনী পৰ্যায়টো অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। সকলোৰে দৃষ্টি এই গুৰুত্বপূৰ্ণ নিৰ্বাচনী অনুষ্ঠানত ভোটাৰৰ অংশগ্ৰহণ আৰু ভোটদানৰ ওপৰত।



## প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, দেৱব্ৰত শইকীয়াৰ সংবাদমেল

# মুখ্যমন্ত্ৰীৰ পত্নীৰ পৰ্বতসম অবাধ সম্পত্তিৰ উচিত তদন্ত বিচাৰি ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিব প্ৰদেশ কংগ্ৰেছে



**গুৱাহাটী, ১৮ ছেপ্টেম্বৰঃ** অসম চুক্তিৰ আত্মা ৫নং দফাক 'কা' আইন বলৱৎ কৰি নস্যাৎ কৰাৰ পিছত ৬নং দফা কাৰ্যকৰী কৰাৰ ভুৱা প্ৰচাৰ চলাইছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। নিজৰ অবাধ দুৰ্নীতি আৰু পত্নীৰ সম্পত্তিৰ তালিকাৰ বিষয়টো গাপ দি ২৬-ত নিৰ্বাচনী বৈতৰণী পাৰ হ'বৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৬নং দফাৰ ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনৰ পৰামৰ্শৱলী আংশিকভাৱে পালন কৰাৰ কথা ঘোষণা কৰিছে। আজি এক সংবাদমেলত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভুপেন বৰাই এনেদৰে অভিযোগ কৰে। বৰাই কয় খিলঞ্জীয়াৰ সংজ্ঞা নিৰ্ধাৰণ নকৰাকৈ খিলঞ্জীয়াক ভূমিৰ অধিকাৰ কেনেকৈ দিব? অন্যহাতে ৬নং দফা সন্দৰ্ভত ন্যায়াধীশ বিপ্লৱ শৰ্মা কমিটিৰ পৰামৰ্শৱলী কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন নোহোৱাকৈ ৰাজ্য চৰকাৰে কাৰ্যকৰী কৰিব নোৱাৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেবিনেটত ৫৭টা পৰামৰ্শৱলী কাৰ্যকৰী কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা বুলি ঘোষণা কৰাৰ কেবাদিনো পাৰ হ'ল যদি এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে কিয় কোনো বিবৃতি দিয়া নাই? বৰাই লগতে কয় ভাৰত-বাংলাদেশ সীমান্তৰ কৰিমগঞ্জৰ ডুমাপৰা অঞ্চলত ৪ কিলোমিটাৰ এতিয়াও উন্মুক্ত হৈ আছে। ডাবল ইঞ্জিনৰ চৰকাৰে সীমান্ত ছীল কৰা, দ্বি-নাগৰিকত্ব প্ৰদান কৰাৰ লগতে খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ বাবে উচ্চ সদন কৰি দেখুৱাওক। অসমৰ দেউৰী, তিৱা, ৰাভাকে ধৰি জনগোষ্ঠীসমূহৰ প্ৰতিনিধি উচ্চ সদনলৈ আনিবৰ বাবে অসম চৰকাৰে কি প্ৰস্তাৱ গ্ৰহণ কৰিছে সেই কথা ৰাজহুৱা কৰক বুলিও ভূপেন বৰাই উল্লেখ কৰে। বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই সংবাদমেলত অংশগ্ৰহণ কৰি কয় যে কংগ্ৰেছ চৰকাৰে অসমৰ জাতি-জনগোষ্ঠীৰ লোকসকলৰ সমস্যা সমাধানত সদায় অগ্ৰাধিকাৰ দি আহিছে। আনকি অসম চুক্তি স্বাক্ষৰ হোৱাৰ পিছত কংগ্ৰেছ চৰকাৰখন আধাতে ভাঙি দিয়া হৈছিল যাতে নতুন চৰকাৰ গঠন কৰিব পৰা যায়। উচ্চ সদনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল। লগতে তেওঁ কয়, খিলঞ্জীয়া আৰু অসমীয়াৰ সংজ্ঞা গ্ৰহণ কৰিবৰ বাবে সেই সময়ৰ বিধানসভাৰ অধ্যক্ষ প্ৰণৱ গগৈ ডাঙৰীয়াই এক প্ৰস্তাৱো দাখিল কৰিছিল। হিমন্ত বিশ্ব শৰ্মাৰ দৰে নেতাই সদিচ্ছা থাকিলে খিলঞ্জীয়াৰ সংজ্ঞা নিৰ্ধাৰণ কৰক। লগতে তেওঁ আৰু কয় যে টংকেশ্বৰ ৰাভাৰ দৰে বিতৰ্কিত জনজাতীয় নেতা এজনক ৰাভা-হাছং পৰিষদৰ দায়িত্ব দিয়া বিষয়টোৰ তদন্ত হ'ব লাগে। অসম বিধানসভাৰ জনজাতীয় বিধায়কসকলক লৈ এখন সমিতি গঠন কৰি টংকেশ্বৰ ৰাভা প্ৰকৃততে শৰণীয়া জনগোষ্ঠীৰ নে ৰাভা জনগোষ্ঠীৰ সেয়া অনুসন্ধান কৰিব লাগে। তেঁও কয় শৰণীয়া লোকসকলক জনজাতি নহয় বুলি ইতিমধ্যে ন্যায়ালয়ে ৰায় প্ৰদান কৰি থৈছে। তাৰপিছত টংকেশ্বৰ ৰাভাৰ পিতৃ আৰু লিগেচিয়ে শেহতীয়াকৈ তেওঁলোক শৰণীয়া আছিল বুলি প্ৰমাণিত কৰিছে। এই বিষয়টোৰো তদন্ত হোৱাৰ প্ৰয়োজন আছে বুলি তেওঁ উল্লেখ কৰে। ইফালে, সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় যে অসমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সুদীৰ্ঘ সময় ধৰি অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী আছিল। তেখেতৰ কাৰ্যকালত অসমচুক্তি ৰূপায়ণ সন্দৰ্ভত কি ব্যৱস্থা গ্ৰহণ কৰিলে অথবা কেবিনেটত বিষয়টো কেনেকৈ উত্থাপন কৰিছিল সেই তথ্য ৰাজহুৱা কৰিব লাগে। সোণোৱাল আৰু শৰ্মা মন্ত্ৰীসভাৰ সময়ছোৱাত অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কি ভূমিকা পালন কৰিছিল সেই কথাও ৰাইজক অৱগত কৰক বুলি দুয়োজন নেতাই আজি দাবী উত্থাপন কৰে। ৬ জনগোষ্ঠীৰ জনজাতিকৰণ কৰাৰ ক্ষেত্ৰত কংগ্ৰেছৰ নীতি সদায় স্পষ্ট আছিল আৰু কংগ্ৰেছে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেঁচা প্ৰদান কৰিছিল। আনটো বাদেই কোচ ৰাজবংশীসকলক জনজাতিৰ মৰ্যাদা কংগ্ৰেছৰ দিনত প্ৰদান কৰা হৈছিল। দুয়োজন নেতাই সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ আৰু চৰকাৰৰ দুৰ্নীতি গাপ দি জনবিৰোধী নীতিত জুৰুলা হোৱা ৰাইজৰ মন ঘূৰাবৰ বাবে হিন্দু মুছলমানৰ সাম্প্ৰদায়িক ৰাজনীতি কৰাৰ লগতে জনজাতীয় লোকসকলৰ ত্ৰাণকৰ্তাৰ ভূমিকা লৈ এক প্ৰহেলিকাময় পৰিৱেশৰ সৃষ্টি কৰিব বিচাৰিছে বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীৰ পত্নী হোৱাৰ সুবাদতে অবাধ সম্পত্তি আহৰণ কৰা আৰু মাজুলীৰ ভূমি সংৰক্ষণ কৰাৰ পূৰ্বে মাজুলীত নিজৰ নামত মাটি ক্ৰয় কৰা মুখ্যমন্ত্ৰীৰ পত্নীৰ লগতে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চলা বিয়াগোম দুৰ্নীতিৰ তদন্ত বিচাৰি কংগ্ৰেছে ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিব বুলি জানিবলৈ দিয়ে।

## নিতৌ পোহৰলৈ আহিছে ধিং কাণ্ডক লৈ ন ন চাঞ্চল্যকৰ তথ্য

# থানাতে হত্যা কৰি পুখুৰীত পেলাই দিয়া হৈছিল তফাজ্জুলৰ মৃতদেহ!



## আৰক্ষীৰ বিৰুদ্ধে গোচৰ উঠাই ল'বলৈ ৫০ লাখ টকা, ঘৰ, মাটিৰ প্ৰলোভন দিয়াৰ অভিযোগ

**ই-সংবাদ, ১৮ ছেপ্টেম্বৰঃ** ধিঙৰ সন্দেহজনক ধৰ্ষণ কাণ্ডত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা তফাজ্জুল ইছলাম নিহত হৈছিল আৰক্ষীৰ জিম্মাত। তফাজ্জুল ইছলামে নিশাৰ অন্ধকাৰত পলায়নৰ প্ৰয়াস কৰি পুখুৰীত জঁপিয়াই নিহত হোৱা বুলি দাবী কৰিছিল নগাঁও আৰক্ষীয়ে। কিন্তু ঘটনাই লৈছে নতুন মোৰ। নিহত তফাজ্জুল ইছলামৰ পৰিয়ালে কেইবাটাও বিস্ফোৰক দাবী কৰিছে। তফাজ্জুল ইছলামৰ ৭০ বছৰীয়া পিতৃ আব্দুল আৱালে দাবী কৰা মতে, ধৰ্ষণ কাণ্ডৰ অভিযুক্ত তফাজ্জুল ইছলাম এজন অন্য যুৱক। আৰক্ষীৰ জিম্মাত নিহত হোৱা তফাজ্জুল ইছলামজন তেওঁৰ পুত্ৰ আৰু ধৰ্ষণ কাণ্ডৰ সৈতে কোনো সম্পৰ্ক নাই। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপি এই দাবী কৰিছে নিহত মৃত তফাজ্জুল ইছলামৰ পিতৃ আব্দুল আৱালে। তফাজ্জুল ইছলামৰ পিতৃ আব্দুল আৱালে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চপাৰ পাছতে নগাঁও জিলাৰ আৰক্ষী অধীক্ষকে পৰিয়ালটোক ভাবুকি দিয়াৰ অভিযোগ উত্থাপন হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ত তৰা গোচৰ প্ৰত্যাহাৰ কৰিবলৈ আৰক্ষীৰ লোকে হেঁচা দিয়াৰ লগতে ডি-ভোটাৰ কৰাৰ লগতে অন্য গোচৰত পৰিয়ালটোক ফচাই দিয়াৰ ভাবুকি দিয়া বুলিও জানিব পৰা গৈছে। আনহাতে তফাজ্জুল ইছলামৰ পৰিয়ালটোক আৰক্ষী থানালৈ মাতি নি আলহীৰ দৰে আদৰ কৰাৰ লগতে মধ্যভোগীৰ দ্বাৰা ৫০ লাখ টকা, দুবিঘা মাটি, ৫টা কোঠাৰ এটা ঘৰ আদি দিয়াৰ প্ৰলোভন দিয়াৰ অভিযোগ উত্থাপন হৈছে। মৃত তফাজ্জুল ইছলামৰ পিতৃ আব্দুল আৱালে গুৱাহাটীৰ এনডি-২৪ নামৰ নিউজ চেনেলক দিয়া এক সাক্ষাতকাৰত এই কথাসমূহ উল্লেখ কৰিছে।

ঘটনাৰ পাছতে নগাঁও জিলাৰ আৰক্ষী অধীক্ষকজন কেবাবাৰো মৃত তফাজ্জুল ইছলামৰ ঘৰলৈ গৈ গোচৰ নকৰাকৈ ঘটনাক সমাধান কৰিবলৈ জোৰ দিয়া বুলিও দাবী কৰিছে পিতৃয়ে। ধিঙত এগৰাকী দশমমান শ্ৰেণীত অধ্যয়নৰত কিশোৰীক তিনি সন্দেহজনক যুৱকে শাৰীৰিক শোষণ কৰি পেলাই থৈ যোৱাৰ অভিযোগ উত্থাপনৰ পাছতে ৰাজ্যত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। ২৩ আগষ্টৰ পুৱা মুখ্য অভিযুক্ত তফাজ্জুল ইছলামক গ্ৰেপ্তাৰ কৰা হয়। কিন্তু ২৪ আগষ্টৰ নিশা তফাজ্জুল ইছলামে আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ প্ৰায় কৰি মানুহৰ ঘৰৰ সৈতে থকা পুখুৰীত জাঁপ দিয়াত নিহত হয়। তাৰ পাছতে ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছিল। আৰক্ষীৰ জিম্মাত তফাজ্জুল ইছলাম নিহত একাংশ লোকে উল্লাস প্ৰকাশ কৰাৰ লগতে আন একাংশ লোকে আৰক্ষীৰ জিম্মাত অভিযুক্তৰ মৃত্যু হোৱা কাণ্ডৰ বিৰোধ কৰিছিল। আৰক্ষীৰ জিম্মাত তফাজ্জুল ইছলামৰ নিহত হোৱাৰ ঘটনাই নতুন মোৰ লৈছে। অভিযুক্ত তফাজ্জুল ইছলামৰ বিপৰীতে আন এজন যুৱক নিহত হোৱাৰ দাবী কৰি এটা পৰিয়ালে গুৱাহাটী উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰিছে। পৰিয়ালৰ লোকে আদালতৰ দ্বাৰস্থ হোৱাত সোমবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত শুনানি অনুষ্ঠিত হয়। শুনানিৰ অন্তত আদালতে ৰাজ্য চৰকাৰৰ গৃহ বিভাগৰ পৰা ঘটনাৰ তথ্যসহ শপতনামা দাখিল কৰিবলৈ কঠোৰ নিৰ্দেশ প্ৰদান কৰিছে। ৪ সপ্তাহৰ ভিতৰত তথ্য-পাতিসহ শপতনামা দাখিল কৰিবলৈ গৃহ বিভাগ তথা চৰকাৰক কঠোৰ নিৰ্দেশ দিছে উচ্চ ন্যায়ালয়ে। পৰৱৰ্তী শুনানিৰ দিন ৪ নৱেম্বৰৰ ভিতৰত গৃহ বিভাগে জৰুৰীভাৱে শপতনামা দাখিল কৰিবলৈ সময়সীমা বান্ধি দিছে আদালতে। মুখ্য সচিব, গৃহ বিভাগৰ প্ৰধান সচিব, আৰক্ষী সঞ্চালক প্ৰধান, নগাঁৱৰ আৰক্ষী অধীক্ষক, জিলা আয়ুক্ত, ধিং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক পদকীয়া কৰা হৈছে। আদালতে সকলো পদকীয়াকো উত্তৰ দিয়াৰ জাননী জাৰি কৰিছে। ন্যায়াধীশ মানস ৰঞ্জন পাঠক আৰু সৌমিত্ৰ শইকীয়াৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ দিছে। নিহত তফাজ্জুল ইছলামৰ পিতৃ আব্দুল আৱালে দাবী কৰা মতে, পুত্ৰক অত্যাচাৰ কৰি হত্যা কৰা হৈছে। যিজন তফাজ্জুল ইছলাম নিহত হৈছে তেওঁ ধৰ্ষণ কাণ্ডৰ অভিযুক্তই নাছিল। সেইজন তফাজ্জুল ইছলাম অন্য এজনহে আছিল। উল্লেখ্য যে, নগাঁও জিলাৰ ধিং ধৰ্ষণ কাণ্ডৰ জড়িত থকাৰ অভিযোগত ২৩ আগষ্টৰ পুৱাই ধিং আৰক্ষীয়ে বৰভেটী গাঁৱৰ ঘৰৰ পৰা তফাজ্জুলক গ্ৰেপ্তাৰ কৰিছিল। নিশা অপৰাধ সংঘটিত হোৱা স্থান দেখুৱাবলৈ নি থকা অৱস্থাত তফাজ্জুলে হাত কেৰেয়া লগাই থোৱা অৱস্থাত পলায়নৰ প্ৰয়াস কৰি পখুৰীত জাঁপ দিয়ে। আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ প্ৰয়াস কৰি তফাজ্জুল পুখুৰীত পৰাত মৃত্যু হোৱা আৰক্ষীয়ে দাবী কৰিছিল। অধিবক্তা জুনাইদ খালিদে তফাজ্জুল ইছলামৰ পিতৃ আব্দুল আৱালৰ উধৃতি দি কয় যে পৰিচয় বিভ্ৰান্তিৰ ফলত তফাজ্জুলক গ্ৰেপ্তাৰ কৰি আৰক্ষীৰ অত্যাচাৰত মৃত্যু হয়। তফাজ্জুলে পলায়নৰ চেষ্টা কৰি পুখুৰীত জাঁপ দিয়াৰ কাহিনী তৈয়াৰ কৰাৰ সন্দেহ কৰা হয়। আদালতত তফাজ্জুলৰ গ্ৰেপ্তাৰৰ নথি, মৃত্যুৰ কাৰণ, মৰণোত্তৰ পৰীক্ষাৰ ৰিপৰ্ট, মৃত্যুৰ প্ৰমাণপত্ৰ নিদিয়া বুলিও কয় অধিবক্তা জুনাইদ খালিদে।


শেষ পৃষ্ঠা

# জ্যোতি-বিষ্ণু, ভূপেনদাৰ গীতৰ সুৰেৰে জীপাল শিৱসাগৰৰ যুৱদল প্ৰেক্ষাগৃহ

**ই-সংবাদ, শিৱসাগৰ, ১৮ ছেপ্টেম্বৰঃ** শিৱসাগৰ নগৰৰ যুৱদল প্ৰেক্ষাগৃহত আজি দেখা গ'ল এক ব্যতিক্ৰমী পৰিৱেশ। ষাঠি উৰ্ধৰ পুৰুষ-মহিলাই পৰিৱেশন কৰা জ্যোতি-বিষ্ণু-ভূপেনদাৰ গীতৰ সুৰেৰে জীপাল হৈ পৰিল যুৱদল। জ্যেষ্ঠ নাগৰিকসকলৰ মাজত আয়োজন কৰা জ্যোতি, বিষ্ণু আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত মুঠ ১২৩ গৰাকী বয়োজ্যেষ্ঠ ব্যক্তিয়ে অংশগ্ৰহণ কৰি গীত পৰিৱেশন কৰে। অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ সঞ্চালকালয় আৰু জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ অসমৰ উদ্যোগত আৰু অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহযোগত শিৱসাগৰৰ যুৱ দল প্ৰেক্ষাগৃহত জ্যেষ্ঠ নাগৰিকৰ সাংস্কৃতিক সমাৰোহত অনুষ্ঠিত হয়। কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত বহুজন লোকে সামাজিক জীৱনৰ পৰাও আতৰি যাবলগীয়া হয়, হয়তো জনজীৱনৰ পৰা আঁতৰি একাকীকত্বৰ মাজতো জীৱন পাৰ কৰিবলগীয়া হয় বহুজনে। সংগীতৰ প্ৰতিও ধাউতি থকা বহুজনে নিজ নিজ কৰ্মজীৱনৰ ব্যস্ততাৰ মাজত সংগীতৰ পৰা আঁতৰি থাকিবলগীয়া হৈছিল। আজি জ্যেষ্ঠ নাগৰিক সকলৰ মাজত অনুষ্ঠিত সাংস্কৃতিক সমাৰোহৰ সংগীত প্ৰতিযোগিতাত সকলো পাহৰি শিৱসাগৰৰ বিভিন্ন প্ৰান্তৰ অৱসৰী জীৱন কটাই থকা জ্যেষ্ঠ নাগৰিকসকলে সংগীত প্ৰতিযোগিতাখনিত অংশ গ্ৰহণ কৰে। শিৱসাগৰ জিলা ৪ খন উপ সমিতিৰ ৪০ গৰাকী জ্যেষ্ঠ নাগৰিকে সাংস্কৃতিক সমাৰোহৰ প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰে।

# পঞ্চভূতত বিলীন বিশিষ্ট অনাতাঁৰ শিল্পী, দিগেন মহন্ত

**ই-সংবাদ, নগাঁও, ১৮ ছেপ্টেম্বৰঃ** বিশিষ্ট অনাতাঁৰ শিল্পী, গীতিকাৰ হিচাপে ৰাজ্যৰ সংগীত জগতক চহকী কৰা দিগেন মহন্তই ১৭ ছেপ্টেম্বৰৰ নিশা ৮ বজাত ইহলীলা সম্বৰণ কৰে। অসমীয়া সংগীত জগতক চহকী কৰিবলৈ আহোপুৰুষাৰ্থ কৰা মহন্তই ৰাজ্যবাসীক শোক সাগৰত ডুবাই কেতিয়াও উভতি নহা বাটেৰে গুছি গ'ল। মহন্তৰ মহাপ্ৰয়াণৰ খবৰে ৰাজ্যবাসীক শোক বিহ্বল কৰিছে। দিগেন বৰা আছিল গণশিল্পী খগেন মহন্তৰ ভাতৃ আৰু অৰ্চনা মহন্তৰ দেওৰ আছিল। সংগীতৰ সাধনা কৰা এটা পৰিয়ালত জন্ম গ্ৰহণ কৰা দিগেন মহন্তই ওৰে জীৱন সংগীতৰ সাধনাকে কৰিছিল। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰথম শ্ৰেণীৰ কণ্ঠশিল্পী আছিল মহন্ত। শিল্পীগৰাকীৰ নশ্বৰদেহ আজি নগাঁৱৰ নিউ আমোলাপট্টিৰ ঘৰলৈ নিয়া হয়। নিজ ঘৰতে গুণমুগ্ধসকলে শেষ শ্ৰদ্ধা জনায়। পাছত শিল্পীগৰাকীৰ শেষকৃত্য আজি নগাঁৱৰ নিউ আমোলাপট্টিত সম্পন্ন কৰা হয়। নগাঁৱত জন্মগ্ৰহণ কৰা দিগেন মহন্তই কেইবাটাও জাউতিযুগীয়া অসমীয়া গীত ৰচনা কৰিছিল। 'তুমি ৰোৱা সেই শেৱালী জোপা' তেওঁৰ অন্যতম চিৰ সেউজগীত আছিল। তাৰোপৰি তেওঁ কেইবটাও গীতো ৰচনা কৰিছিল। ২০২২ চনত নগাঁৱৰে অগ্ৰণী সামাজিক সাংস্কৃতিক অনুষ্ঠান গান্ধাৰে 'সুৰ-ৰত্ন যজ্ঞ বেজবৰুৱা বঁটা' প্ৰদান কৰিছিল মহন্তক। 'সৃষ্টি'য়ে মহন্তক কলংপৰীয়া শিল্পী বঁটা প্ৰদান কৰিছিল।






newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান